নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মৃত্যু পৰ্যন্ত ৰমাজান মাহৰ শেষ দহকত এতিকাফ কৰিছিল। তেখেতৰ মৃত্যুৰ পিছতো তেখেতৰ স্ত্ৰীসকলে এতিকাফ কৰিছিল।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ স্ত্ৰী উম্মুল মু'মিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মৃত্যু পৰ্যন্ত ৰমাজান
মাহৰ শেষ দহকত এতিকাফ কৰিছিল। তেখেতৰ মৃত্যুৰ পিছতো তেখেতৰ স্ত্ৰীসকলে এতিকাফ কৰিছিল।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ৰমাজান মাহৰ শেষ দহকত জৰুৰীভাৱে এতিকাফ পালন কৰিছিল। লাইলাতুল ক্বদৰ অনুসন্ধান কৰাৰ উদ্দেশ্যে। এইটো তেখেতে প্ৰত্যেক বছৰে পালন কৰিছিল তেখেতৰ মৃত্যু পৰ্যন্ত। আনকি তেখেতৰ মৃত্যুৰ পিছতো তেখেতৰ স্ত্ৰীসকলে নিয়মিতভাৱে এতিকাফ কৰিছিল।

http://sunnah.global/hadeeth/as/show/4495